**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 16-02-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ভাৰতে অকল বিশ্বৰ ভৱিষ্যত কেন্দ্ৰিক আলোচনাৰ কেন্দ্ৰই নহয়, বৰং দেশে এনে আলোচনাৰ নেতৃত্ব বহন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উদ্ভাৱক আৰু উদ্যমীসকল পৰম্পৰাগত সম্প্ৰদায়মূহৰ জ্ঞানৰ ভেটিৰ প্ৰতি আওকান কৰা উচিত নহয় বুলি মন্তব্য কৰিছে।

৩। প্ৰয়াগৰাজৰ সংগমৰ পাৰৰ মহাকুম্ভত আজি প্ৰকৃতি আৰু পক্ষী উৎসৱ ২০২৫ৰ আয়োজন কৰা হৈছে।

৪। ইউৰোপে ইউক্ৰেইনৰ শান্তি আলোচনাত অংশগ্ৰহণ নকৰে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই ঘোষণা কৰিছে।

**আৰু**

৫। ডেলহী কেপিটেলছে যোৱা নিশা মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে।

০০০০০০

ভাৰতে অকল বিশ্বৰ ভৱিষ্যত কেন্দ্ৰিক আলোচনাৰ কেন্দ্ৰই নহয়, বৰং দেশে এনে আলোচনাৰ নেতৃত্ব বহন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। দিল্লীত কালি এটা সংবাদগোষ্ঠীয়ে আয়োজন কৰা সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। শ্ৰী মোদীয়ে কয়, যে ভাৰতে গোলকীয় পৰ্যায়ত সম্প্ৰতি এনে স্থান লাভ কৰিছে যিটো পূৰ্বতে কেতিয়াও পোৱা নাছিল। বিশ্বৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰসমূহৰ মাজতে হওক বা গোলকীয় মঞ্চসমূহতে হওক, ভাৰতৰ প্ৰতি আস্থা পূৰ্বৰ তুলনাত সৰাতোকৈ অধিক হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰত ২০১৪ চনৰে পৰা দ্ৰুত উন্নয়নৰ পথত অগ্ৰসৰ হৈছে। তেওঁ লগতে কয়, যে ভাৰতে মাত্ৰ এটা দশকৰ ভিতৰতে বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ অন্যতম হৈ উঠিছে। তেওঁ লগতে অনাগত সময়ত ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থ ব্যৱস্থাৰূপে পৰিগণিত হ'ব বুলি আস্থা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে ভাৰতে প্ৰথম তিনিটা ঔদ্যোগীক বিপ্লবৰ অংশীদাৰ হোৱাৰ সুযোগ হেৰুৱাইছে যদিও চতুৰ্থ বিপ্লৱত বিশ্বৰ সৈতে আগবাঢ়িবলৈ সাজু হৈছে। শ্ৰী মোদীয়ে কয়, যে তেওঁৰ চৰকাৰে ব্যৱসায়ৰ আশংকাক ব্যৱসায়িক সুচলতালৈ ৰূপান্তৰ কৰিছে। তেওঁ কয়, যে বৰ্তমান চৰকাৰে ব্যক্তিগত খণ্ডক উন্নত ভাৰত গঢ়াৰ যাত্ৰাৰ গুৰুত্বপূৰ্ণ সহযোগী বুলি গণ্য কৰে।

০০০০০০

উদ্ভাৱক আৰু উদ্যমীসকল পৰম্পৰাগত সম্প্ৰদায়মূহৰ জ্ঞানৰ ভেটিৰ প্ৰতি আওকান কৰা উচিত নহয় বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। তেওঁ লগতে পৰম্পৰাগত ক্ষুদ্ৰ সমাধান সূত্ৰৰ কথা পাহৰি নাযাবলৈ

যুৱ প্ৰজন্মৰ প্ৰতি পৰামৰ্শ আগবঢ়াইছে। কালি বিয়লি ৰাঁচীৰ বিৰলা প্ৰযুক্তি প্ৰতিষ্ঠান মেছ্ৰাৰ মহাৰজত জয়ন্তীত অংশগ্ৰহণ কৰি শ্ৰীমতী মুৰ্মুৱে উন্নত ভাৰত গঠন প্ৰক্ৰিয়াত যুৱ প্ৰজন্মৰ উৎসাহ, উদ্দীপনা আৰু নিস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে কৃত্ৰিম বুদ্ধিমত্তাক উচ্চ শিক্ষাত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্নিঙ প্ৰযুক্তিৰ অগ্ৰগতিৰ ফলত ভৱিষ্যতে অভূতপূৰ্ব পৰিৱৰ্তন দেখিবলৈ পোৱা যাব। প্ৰযুক্তিৰ ক্ষেত্ৰত উদ্ভাৱনৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তাই জনসাধাৰণৰ জীৱনৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত সহায় কৰিব পাৰে।

মহিলা সৱলীকৰণ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে ছোৱালীসকল বিজ্ঞান, অভিযান্ত্ৰিক, প্ৰযুক্তি আৰু গণিতৰ ক্ষেত্ৰত কোনো গুণে পিছ পৰি থকা নাই। অনুষ্ঠানত অংশগ্ৰহণ কৰি ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংগৱাৰে কয়, যে নতুন ভাৰতত ছোৱালীসকলে শিক্ষাৰ ক্ষেত্ৰত ল'ৰাতকৈ উন্নত প্ৰদৰ্শন আগবঢ়াইছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ভাৰত-টেক্স ২০২৫ প্ৰদৰ্শনীত ভাগ ল'ব। এই সুযোগতে শ্ৰী মোদীয়ে এটা সমাৱেশক সম্বোধন কৰিব। যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত ভাৰত টেক্স ২০২৫ৰ কাইলৈ সামৰণি পৰিব। এই প্ৰদৰ্শনীত কেঁচা সামগ্ৰী, উৎপাদিত সামগ্ৰী আৰু আনুসংগিক সা-সঁজুলীকে ধৰি বস্ত্ৰ উদ্যোগ খণ্ডৰ সমগ্ৰ মূল্য শৃংখলা একেখন মঞ্চত উপস্থিত কৰোৱা হৈছে। বস্ত্ৰ উদ্যোগৰ বাবে বৃহৎ মঞ্চৰূপে পৰিগণিত এই প্ৰদৰ্শনীৰ লগত সংগতি ৰাখি বিভিন্ন সন্মিলন, আলোচনা চক্ৰ আদিৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানে সমগ্ৰ বিশ্বৰ ১২০ খনৰো অধিক দেশৰ নীতি নিৰ্ধাৰক, মুখ্য কাৰ্যবাহী বিষয়াৰ লগতে ক্ৰেটাসকলক আকৰ্ষণ কৰিব বুলি আশা কৰা হৈছে।

000000

প্ৰয়াগৰাজৰ সংগমৰ পাৰৰ মহাকুম্ভত আজি প্ৰকৃতি আৰু পক্ষী উৎসৱ ২০২৫ ৰ আয়োজন কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে বিশ্বাস আৰু সংৰক্ষণৰ প্ৰতীক ৰূপে ডাউক প্ৰজাতিৰ ইণ্ডিয়ান স্কীমাৰ নামৰ চৰাইবিধক এই উৎসৱৰ শুভংকৰ ৰূপে বাচনি কৰা হৈছে। উত্তৰ প্ৰদেশৰ গংগা, যমুনা আৰু সম্বল নদীত এই প্ৰজাতিবিধৰ প্ৰায় এহেজাৰটা চৰাই আছে। এই চৰাইবিধে নদী পৰিষ্কাৰ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহাকুম্ভত এই উৎসৱৰ জৰিয়তে বিশ্বাস আৰু প্ৰকৃতি সংৰক্ষণৰ এক অনন্য বাৰ্তা দিব বিচৰা হৈছে। এই উৎসৱৰ নডেল বিষয়া ললিত বাৰ্মাই  কয়, যে এই চৰাইবিধৰ সংৰক্ষণৰ বাবে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ইয়াক শুভংকৰ ৰূপে বাচনি কৰা হৈছে। এই উৎসৱৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে বুলি প্ৰকাশ কৰি তেওঁ কয়, যে পক্ষী উৎসৱ প্ৰকৃতাৰ্থত ব্যতিক্ৰমী পদক্ষেপ ৰূপে পৰিগণিত হ'ব। আনহাতে মহাকুম্ভত আজি **কুম্ভৰ আস্থা আৰু জলবায়ু** পৰিৱৰ্তন শীৰ্ষক এখন জলবায়ু সন্মিলনৰ আয়োজন কৰা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে এই সন্মিলনখন মুকলি কৰিব।

000000

ইউৰোপে ইউক্ৰেইনৰ শান্তি আলোচনাত অংশগ্ৰহণ নকৰে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই ঘোষণা কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি সহায়ক তথা ৰাছিয়া আৰু ইউক্ৰেইনৰ বাবে থকা বিশেষ কটকী কীথ কেলাঙে জাৰ্মানীৰ মিউনিখত অনুষ্ঠিত বিশ্ব সুৰক্ষা সন্মিলনত কালি  এই কথা প্ৰকাশ কৰে। অঞ্চলটোত শান্তি সুনিশ্চিত কৰাৰ বাবে

ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে গ্ৰহণ কৰা লক্ষ্য আগুৱাই নিয়াৰ উদ্দেশ্যে শ্ৰী কেলাঙে ২২ ফেব্ৰুৱাৰীলৈ ইউৰোপৰ বিভিন্ন দেশ ভ্ৰমণ কৰাৰ কথা।

ইউক্ৰেইনৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত কি ধৰণৰ অৱদান আগবঢ়াব বুলি ইউৰোপীয় দেশসমূহলৈ ৱাশ্বিংটন মহলে প্ৰশ্নাৱলী প্ৰেৰণ কৰাৰ পাছতে শ্ৰী কেলাঙে এই বিবৃতি দিছে। ইয়াৰ পূৰ্বে  ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'ডিমিৰ জেলেনস্কিয়ে ইউৰোপৰ এটা সংগঠিত সেনাবাহিনী গঢ়ি তোলাৰ বাবে আহ্বান জনাইছে। তেওঁ কয়, যে ৰাছিয়াৰ বিৰুদ্ধে ইউক্ৰেইনৰ যুদ্ধৰ ফলত এই বাহিনী গঠনৰ আৱশ্যকতা অনুভূত হৈছে। মিউনিখ নিৰাপত্তা সন্মিলনত দিয়া ভাষণত জেলেনস্কিয়ে এই সন্মিলিত বাহিনীটো গঠনত গুৰুত্ব আৰোপ কৰি কয়, যে আমেৰিকাই যিকোনো নিৰাপত্তা সম্পৰ্কীয় বিষয়ৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

oooooo

নতুন দিল্লী ৰে'লৱে ষ্টেচনত কালি বিয়লি হেঁচা-ঠেলা সদৃশ ঘটনাত ১০ জনতকৈ অধিক লোক আহত হয়। আহতসকলক চিকিৎসাৰ বাবে হাস্পতালত ভৰ্তি কৰোৱা হৈছে বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। যাত্ৰীৰ আকস্মিক ভীৰৰ বাবে এই ঘটনা হোৱা বুলি উল্লেখ কৰি ৰে'ল মন্ত্ৰীগৰাকীয়ে কৈছে, যে হেঁচা-ঠেলাৰ ঘটনাৰ এটা উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। সম্প্ৰতি পৰিস্থিতি নিয়ন্ত্ৰণত আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। শ্ৰী বৈষ্ণৱে কয়, যে যাত্ৰীৰ ভিৰ নিয়ন্ত্ৰণৰ বাবে প্ৰয়াগৰাজৰ মহাকুম্ভলৈ  যাব খোজা ভক্তসকলৰ বাবে ততালিকে প্ৰযোজ্য হোৱাকৈ চাৰিখন অতিৰিক্ত ৰে'লগাড়ীৰ ব্যৱস্থা কৰা হৈছে। ভিৰ নিয়ন্ত্ৰণ আৰু সাহায্য অভিযানত সহায় কৰাৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ এটা দলো নিয়োগ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

oooooo

দিল্লীত কালি আম আদমী পাৰ্টীৰ তিনিগৰাকী পাৰিষদে বিজেপিত যোগদান কৰে। ইয়াৰ লগে লগে বিজেপি দিল্লী পৌৰ নিগমত একক সংখ্যা গৰিষ্ঠ দলৰূপে পৰিগণিত হয়। দিল্লী পৌৰ নিগমৰ মেয়ৰৰ বাবে অহা এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা। উল্লেখযোগ্য যে আম আদমী পাৰ্টীয়ে ২০২৪ চনৰ নৱেম্বৰত অনুষ্ঠিত মেয়ৰৰ নিৰ্বাচনত তিনিটা ভোটত জয়লাভ কৰিছিল।

oooooo

ডেলহী কেপিটেলছে যোৱা নিশা বডোদৰাৰ কোটাম্বি ষ্টেডিয়ানত অনুষ্ঠিত মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন ৰোমাঞ্চকৰ খেলত মুম্বাই ইণ্ডিয়ানছক ২ উইকেটত পৰাস্ত কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি ১৯ অভাৰ আৰু ১ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৪ ৰান সংগ্ৰহ কৰে। মুম্বাইৰ হৈ নেট স্কীভাৰ ব্ৰাণ্টে ৫৯টা বলত ৮০ ৰান কৰে। অধিনায়ক হৰমনপ্ৰীত কৌৰে ২২টা বলত ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। ডেলহী কেপিটেলছৰ হৈ আন্নাবেল ছুথাৰলেণ্ডে তিনিটা উইকেট দখল কৰে। শিখা পাণ্ডেই দুটা উইকেট লাভ কৰে।

ডেলহী কেপিটেলছে ১৬৫ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱায় যদিও শ্বেফালী বাৰ্মাই ১৮ টা বলত কৰা ৪৩ ৰান আৰু ছাৰা ব্ৰাইছে ১০ টা বলত কৰা ২১ ৰানৰ সহায়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। নিকি প্ৰসাদে ৩৩টা বলত ৩৫ ৰান কৰি ডেলহী কেপিটেলছৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুম্বাইৰ হেইলী মেথিউজ আৰু এমেলিয়া কেৰে দুটাকৈ উইকেট লাভ কৰে। নিকি প্ৰসাদক প্লেয়াৰ অব দ্যা মেচ

হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি বড়োদৰাত হ'বলগীয়া এখন খেলত গুজৰাট জায়েণ্টছ্ ইউ পি ৱাৰিয়ৰ্জৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

নতুন দিল্লীত কালি অনুষ্ঠিত দিল্লী অ'পেন টেনিছ প্ৰতিযোগিতাৰ ডাবলছ্‌ৰ ফাইনেলত জাপানৰ মাছামিছি ইমামুৰা আৰু ৰিঅ' ন'গুচিয়ে ভাৰতৰ নিকি পুনাচা আৰু জিম্বাৱেৰ কাৰ্টনি লকক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। জাপানৰ দলটো ৬-৪, ৬-৩ ছেটত বিজয়ী হয়। ইপিনে পুৰুষৰ ছিংগলছত ফ্ৰান্সৰ কিৰিয়ান জাকেই শীৰ্ষ বাছনিৰ ভিট ক'প্ৰাইভাক ৬-৩, ৬-১ পোনপটীয়া ছেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। জাকেই আজি ব্ৰিটেইনৰ বিলি হেৰিছৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। হেৰিছে ছেমিফাইনেলত তৃতীয় বাছনিৰ ট্ৰিষ্টান স্কুলকাটক ৪-৬, ৭-৬, ৬-২ ছেটত পৰাস্ত কৰে।

oooooo

সমাপ্ত